**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। ৰাজ্যৰ শেহতীয়া বানত ৩০খন জিলাৰ ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত।

২। বানত ক্ষতিগ্ৰস্ত কেইবাখনো জিলা পৰিদৰ্শন মুখ্যমন্ত্ৰীসহ, মন্ত্ৰী-বিধায়কসকলৰ।

৩। নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ আজি গোৱালপাৰা জিলাৰ লক্ষীপুৰত শুভাৰম্ভ।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যান-বাহন চলাচলৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা নিৰ্দেশনাৰ সাল-সলনি।

*আৰু*

৫। ইউৰো কাপত স্পেইন আৰু ফ্ৰান্সৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বান পৰিস্থিতি আজিও উন্নত হোৱা নাই। ৰাজ্যখনত বানত প্ৰভাৱিত জিলাৰ সংখ্যা ৩০ লৈ বৃদ্ধি পোৱাৰ লগতে ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। সমগ্ৰ ৰাজ্যত বানৰ ফলত ১১৩টা ৰাজহ চক্ৰৰ অন্তৰ্গত ৩ হেজাৰ ৫শ খন গাঁও পানীত বুৰ গৈছে। ইপিনে, ৬৩ হাজাৰ হেক্টৰ কৃষিভূমিৰ শস্য বিনষ্ট হৈছে। বিগত ২৪ ঘণ্টাত কামৰূপ মহানগৰ জিলাত হোৱা ভূমিস্খলনত দুজন লোকৰ মৃত্যু হৈছে। আনহাতে, গোলাঘাট জিলাৰ দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত নমাৰী গাঁৱত কালি প্ৰলয়ংকাৰী বানৰ সোঁতত উটি যোৱা বিশ্বজিৎ ভূঞা নামৰ লোকজনৰ মৃত্যু হয়। বিত্ত মন্ত্ৰী অজন্তা নেওগে দেৰগাঁৱৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীৰ সৈতে প্ৰয়াত বিশ্বজিৎ ভূঞাৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সদস্যসকললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ৪ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড় জিলাৰ কেইবাটাও স্থানত বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ খোৱাঙত বুঢ়ী দিহিং নৈৰ মথাউৰি ভাঙি জলমগ্ন হোৱা কেইবাখনো গাঁও কালি পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোৰ জনসাধাৰণে আশ্ৰয় লৈ থকা এটা শিবিৰ পৰিদৰ্শন কৰে। তেওঁ বানত প্ৰভাৱিত লোকসকলৰ প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি জ্যেষ্ঠ ব্যক্তি আৰু শিশুসকলৰ বিশেষ যত্ন ল'বলৈ তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত ৰাইজক সাহায্য প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে।

বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু হোৱাত ৰাজ্যখনৰ বানত এতিয়ালৈ মৃত্যুৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। ব্ৰহ্মপুত্ৰ, বৰাকৰ লগতে প্ৰায়বোৰ উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। এই বানত ২২৫টা পথ আৰু ১০ খন দলঙৰ লগতে অন্যান্য আন্তঃগাঁথনিৰ ব্যাপক ক্ষতি হৈছে। ইফালে ১৫ লাখৰো অধিক জীৱ জন্তু বানৰ কবলত পৰিছে।

গোলাঘাট জিলাৰ আয়ুক্ত ডাঃ পি উদয় প্ৰবীনে কালি খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত আলামী চাপৰি, পুৰণি নাৰমাৰি গাওঁ, মেদক, আলামী ৰাগদিয়া, গোলোং তেমেৰা, মিচিমিআটি, নামতেমেৰা, উপৰ তেমেৰা আদি গাঁও পৰিদৰ্শন কৰি বান প্ৰভাৱিত লোকসকলক সাক্ষাৎ কৰাৰ লগতে তেঁওলোকৰ সমস্যাসমূহৰ বুজ লয়। তেওঁ সমগ্ৰ অঞ্চলটোৰ বানত ক্ষতিগ্ৰস্ত বাট পথ, দলং আদি পৰ্যবেক্ষণ কৰাৰ লগতে সাহায্য সামগ্ৰী বিতৰণ ব্যৱস্থাৰ বুজ লয়।

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ মহকুমা বিষয়াই কালি দিবং প্ৰাথমিক বিদ্যালয়, বৰফাকিয়াল প্ৰাথমিক বিদ্যালয়, পুৰাইমুখ প্ৰাথমিক বিদ্যালয় আৰু পুৰাইমুখ নগাওঁ প্ৰাথমিক বিদ্যালয়ক স্থাপন কৰা সাহায্য শিবিৰ পৰিদৰ্শন কৰে। তেওঁ বান ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত সাহায্য বিতৰণ ব্যৱস্থা মূল্যায়ন কৰাৰ লগতে শিবিৰত থকা লোকসকলে পৰ্যাপ্ত পৰিমাণে প্ৰাথমিক সা-সুবিধাসমূহ লাভ কৰিছে নে নাই সেই বিষয়েও বুজ লয়।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমত প্ৰবল বৃষ্টিপাতৰ সতৰ্কবাণী জাৰি কৰিছে। অসম চৰকাৰে বিভিন্ন স্থানত ইতিমধ্যে ৩৩৯টা সাহায্য বিতৰণ কেন্দ্ৰৰ লগতে ২৭৩টা সাহায্য শিবিৰ মুকলি কৰিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক ৰাজ্যখনত উদ্ধাৰ আৰু সাহায্য অভিযান কাৰ্যত নিয়োগ কৰা হৈছে।

০০০০০০

দেশৰ বৃহৎ সংখ্যক নাগৰিকৰ অংশগ্ৰহণেৰে নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** পৰহি আৰম্ভ হৈছে। অসমতো বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা, ওদালগুৰি, ডিমা হাচাও আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক এই অভিযানে সামৰি লৈছে। অহা ৩০ ছেপ্তেম্বৰলৈকে ৩ মাহজুৰি চলিবলগীয়া এই অভিযানৰ লক্ষ্য হৈছে সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰা।

গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ গোপীনাথ বৰদলৈ সভাঘৰত আজি ক্ষন্তেক সময়ৰ পাছতে **সম্পূৰ্ণতা অভিযান** কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

০০০০০০

অসমৰ চৰকাৰৰ শিক্ষা বিভাগৰ **শিক্ষা সেতু** এপে ৰাষ্ট্ৰীয় ই-গভৰ্নেন্স বঁটা ২০২৪ লাভ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা সদৰী কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই অত্যন্ত আনন্দৰে সকলোৰে প্ৰতি অভিনন্দন জনাই শিক্ষা সেতু এপলৈ এই স্বীকৃতিয়ে প্ৰযুক্তিৰ জৰিয়তে শিক্ষাখণ্ডলৈ পৰিৱৰ্তন অনাৰ লক্ষ্যক প্ৰেৰণা দিব বুলি কয়।

oooooo

চলিত বৰ্ষৰ NEET-PG পৰীক্ষা অহা ১১ আগষ্টত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান পৰীক্ষা পৰিষদে ইতিমধ্যে পৰীক্ষাৰ সংশোধিক সময়সূচী জাৰি কৰিছে। উল্লেখযোগ্য যে এই প্ৰৱেশ পৰীক্ষা যোৱা মাহত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কিছুমান প্ৰতিযোগিতামূলক পৰীক্ষাত আসোঁৱাহৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত এদিন আগেয়ে পৰীক্ষা স্থগিত কৰা হৈছিল।

ইফালে, ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান পৰীক্ষা পৰিষদে আয়োজন কৰা বিদেশী চিকিৎসা স্নাতক পৰীক্ষা আজি FMGEত অনুষ্ঠিত হ'ব। সমগ্ৰ দেশৰ ৫০ খন চহৰৰ ৭১টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ পেঞ্চনাৰসকলৰ জীৱন সুচল কৰি তোলৰ বাবে পেঞ্চন আৰু পেঞ্চনাৰসকলৰ কল্যাণ বিভাগে যোৱা পহিলা জুলাইৰ পৰা এমাহ জোৱা বিশেষ অভিযান আৰম্ভ কৰিছে। উল্লেখযোগ্য যে পৰিয়াল পেঞ্চন অভিযোগ প্ৰতিকাৰ সম্বন্ধীয় বিশেষ অভিযানৰ প্ৰথম সপ্তাহত এহেজাৰতকৈ অধিক গোচৰ সমাধান কৰা হৈছে। এই অভিযানত উৎকৃষ্ট প্ৰদৰ্শন কৰা সকলৰ ভিতৰত প্ৰাক্তন সৈনিক কল্যাণ বিভাগ, প্ৰতিৰক্ষা বিত্ত বিভাগ আৰু ৰে'ল মন্ত্ৰালয় আছে।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহন চলাচলৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা নিৰ্দেশনাৰ কিছু সাল সলনি ঘটোৱা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যাবলগীয়া যাত্ৰীবাহী আৰু বাণিজ্যিক বাহনসমূহৰ ক্ষেত্ৰত আজিৰে পৰা প্ৰযোজ্য হোৱাকৈ নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজাৰ ভিতৰত নুমলীগড় তিনিআলি হৈ বাণিজ্যিক ট্ৰাকৰ প্ৰৱেশত অনুমতি দিয়া হৈছে। ইফালে, পানবাৰী, বোকাখাট আৰু বাগৰিসীমা হৈ বাণিজ্যিক ট্ৰাকসমূহে পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজাৰ ভিতৰত নিয়ন্ত্ৰিত গতিবেগত চলাচল কৰিব পাৰিব। বিয়লি ৪ বজাৰ পৰা পুৱা ৮ বজালৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বাণিজ্যিক ট্ৰাকৰ প্ৰবেশত বাধা আৰোপ কৰা হৈছে। আনহাতে, ব্যক্তিগত আৰু বাণিজ্যিক সকলো যাত্ৰীবাহী বাহনৰ চলাচল আৰক্ষী আৰু বন বিভাগে নিৰ্ধাৰিত কৰি দিয়া গতিবেগত প্ৰতি আধা ঘণ্টাৰ মূৰত ২৪ ঘণ্টাই চলাচল কৰিব পাৰিব।

oooooo

বান পৰিস্থিতিৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৰে আজি আৰু কাইলৈ কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰিছে। সেই অনুসৰি শিলচৰ-গুৱাহাটী, শিলচৰ-মাইশ্বাছান, মাইশ্বাছান-শিলচৰ, শিলচৰ-ডুলাবচ্চেৰা, শিলচৰ-শ্ৰীবাৰ, শিলচৰ-ভৈৰবী, শিলচৰ-নিউ তিনিচুকীয়া, বদৰপুৰ-ডুলাবচ্চেৰা, ডুলাবচ্চেৰা-বদৰপুৰ আদি ৰে'লৰ যাত্ৰা বাতিল কৰিছে। কাইলৈও গুৱাহাটী-শিলচৰ, ডুলাবচ্চেৰা-শিলচৰ, ভৈৰবী-শিলচৰ, নিউ তিনিচুকীয়া-শিলচৰ আদি ৰে'ল যাত্ৰা বাতিল কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিৰে পৰা ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ আৰম্ভ কৰিব। ৰাছিয়াত ৮ জুলাইত উপস্থিত হৈ প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত প্ৰৱাসী ভাৰতীয়ৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে এখন সংৰক্ষিত পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীগৰাকী ১০ জুলাইত অষ্ট্ৰিয়ালৈ যাব। ৪০ বছৰ পাছত ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে শ্ৰীমোদীয়ে অষ্ট্ৰিয়া ভ্ৰমণ কৰিব।

০০০০০০

ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰাৰ বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ আৰম্ভ হ'বলগীয়া এই ব্যাপক বাৰ্ষিক উৎসৱ নিয়াৰিকৈ আৰু সফলতাৰে সম্পন্ন কৰাৰ বাবে অন্তিম পৰ্যায়ৰ নিৰীক্ষণ চলি আছে। কাইলৈ উদযাপন হ'বলগীয়া উৎসৱৰ মূল কাৰ্যসূচী নৱযৌৱন দৰ্শন, নেত্ৰ উৎসৱ আদি যাত্ৰাৰ সকলো নীতি-নিয়ম সময়মতে সফলতাৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো পক্ষকে সহযোগিতা আগবঢ়াবলৈ শ্ৰীজগন্নাথ মন্দিৰ প্ৰশাসনে আহ্বান জনাইছে। ওড়িশা চৰকাৰে এই উপলক্ষে কাইলৈ আৰু পৰহিলৈ ৰাজ্যখনত দুদিনীয়া বন্ধ ঘোষণা কৰিছে। উল্লেখযোগ্য যে, ৫৩ বছৰৰ পাছত এই ৰথ যাত্ৰা দুদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ বাবে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰেও ৰাজ্যপাল ৰঘুবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝী আৰু অনান্য প্ৰতিনিধিসকলৰ সৈতে কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰথযাত্ৰাৰ সময়ছোৱাত কোনো লোককে মন্দিৰত প্ৰৱেশৰ অনুমতি নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰশাসনে ৰথযাত্ৰাৰ সময়ত শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে মহিলাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে ভাৰতীয়  ৰে'ল বিভাগে ৰথযাত্ৰা উপলক্ষে পুৰী ভ্ৰমণৰ উদ্দেশ্যে ৩১৫খন বিশেষ ৰে'ল চলাচলৰ বিষয়ে ঘোষণা কৰিছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় কৃষ্ণ ভাবনামৃত সংঘ ইস্কন গুৱাহাটীৰ একক প্ৰচেষ্টাৰে আয়োজিত গুৱাহাটী জগন্নাথ ৰথ যাত্ৰা মহোৎসৱ কাইলৈৰ পৰা ১৫ জুলাইলৈ ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই যাত্ৰা জি এছ ৰোড, গণেশগুৰি, লাষ্টগে'ট, চাৰ্ভে, বেলতলা তিনিআলি, বশিষ্ঠ চাৰিআলি, ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰ্ভিছ্ ৰোড আৰু ত্ৰিপুৰা ৰোডেৰে গৈ জয়ানগৰৰ জগন্নাথ সাংস্কৃতিক প্ৰকল্পৰ প্ৰাংগণত অন্ত পৰিব। এই ৰথযাত্ৰাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য কান্ত হাজৰিকাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে।

০০০০০০

শাসকীয় দল বিজেপিয়ে কালি ২৩ খন ৰাজ্যৰ বাবে প্ৰভাৰী আৰু সহঃ প্ৰভাৰী নিযুক্তি দিয়ে। সেই মৰ্মে অৰুণাচল প্ৰদেশৰ প্ৰভাৰীৰ দায়িত্ব অসমৰ চৰকাৰৰ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অশোক সিংঘলক, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সমন্বয়কৰ দায়িত্ব ড° সম্বিৎ পাত্ৰক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ যুটীয়া সমন্বয়ক ৰূপে ভি. মুৰলীধৰণক নিযুক্তি দিয়া হৈছে।

০০০০০০

ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল খেলত স্পেইন ফ্ৰান্সৰ মুখামুখি হ'ব। খেলখন অহা ১০ জুলাইত  ডাৰ্টমণ্টত খেলোৱা হ'ব। আনহাতে কালি জাৰ্মানীৰ ষ্টুটগাৰ্টত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত স্পেইনে জাৰ্মানীক ২-১ গ'লত পৰাস্ত কৰে। স্পেইনৰ ডানী অল্মো আৰু মাইকেল মৰিনোৱে এটাকৈ

গ'ল কৰে। ইফালে জাৰ্মানীৰ হৈ ফ্লৰিয়ন বিৰ্টজে একমাত্ৰ গ'লটো দিয়ে। দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সে পৰ্টুগালক পেনাল্টি শ্বুট আউটৰ সহায়ত ৫-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০০

ভাৰত আৰু জিম্বাৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি মেছৰ শৃংখলাটোৰ প্ৰথমখন মেচ আজি হাৰাৰেত বিয়লি ৪ বাজি ৩০ মিনিটত অনুষ্ঠিত হ'ব। শুভমন গিলৰ নেতৃত্বাধীন ভাৰতীয় দলটোত অসম সন্তান ৰিয়ান পৰাগৰো অভিষেকৰ সম্ভাৱনা আছে।

০০০০০০

ছেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনিয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত কালি নিশা দক্ষিণ আফ্ৰিকাই ভাৰতক **১২** ৰানত পৰাস্ত কৰে**।** জয়ৰ বাবে **১৯০** ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতীয় মহিলাৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেট হেৰুৱাই **১৭৭** ৰানহে কৰিবলৈ সমৰ্থ হয়। টছত জয়লাভ কৰি প্ৰথমে বেট ধৰিবলৈ সিদ্ধান্ত লোৱা দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেট হেৰুৱাই **১৮৯** ৰান সংগ্ৰহ কৰে**।** দক্ষিণ আফ্ৰিকাৰ হৈ তাজমিন ব্ৰিটছে **৮১** ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ভাৰতৰ হৈ স্মৃতি মান্ধনাই ৪৬ ৰান সংগ্ৰহ কৰে**।** তাজমিন ব্ৰিটছে খেলখনৰ প্লেয়াৰ অব দা মেটছ সন্মান লাভ কৰে।

উল্লেখ্য ইয়াৰ পূৰ্বে অনুষ্ঠিত হোৱা তিনিখনীয়া এদিনীয়া শৃংখলাটোত ভাৰতে দক্ষিণ আফ্ৰিকাক ৩-০ ব্যৱধানত পৰাস্ত কৰি শৃংখলা হস্তগত কৰিছিল। ইয়াৰ পিছত অনুষ্ঠিত এখন টেষ্ট মেছত ভাৰতে দক্ষিণ আফ্ৰিকাক **১০** উইকেটত পৰাস্ত কৰিছিল।

০০০০০০

ৰাজ্যৰ অপৰিৱৰ্তিত বান পৰিস্থিতি সন্দৰ্ভত আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে। **মহানগৰীৰ ধলত মৃত্যুৰ কিৰিলি** শিৰোনামেৰে **দৈনিক অসম** কাকতে গুৱাহাটী মহানগৰীত মুষলধাৰ বৰষুণত নলাত বাগৰি এটি শিশু উটি যোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই বাতৰিটোকে **দৈনিক অগ্ৰদূত** কাকতে **মহানগৰীত উন্মুক্ত নলাত উটি গ'ল শিশু ছাত্ৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। এই ঘটনাটো সন্দৰ্ভত **অসমীয়া প্ৰতিদিন** কাকতে **১২ ঘন্টাৰ পিচত পুৱা ১০ বজাতহে ঘটনাস্থলীত উপস্থিত উদ্ধাৰকাৰী দল** শিৰোনাম দি প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। আদালতৰ অনুমতি লাভৰ পাছতেই ৰাষ্ট্ৰদোহৰ গোচৰত কাৰাৰুদ্ধ খালিস্তানপন্থী নেতা অমৃতপাল সিঙে কালি লোকসভাৰ সাংসদৰূপে শপতগ্ৰহণ কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ব্ৰিটেইনৰ সাধাৰণ নিৰ্বাচনত প্ৰধানমন্ত্ৰী ঋষি ছুনাকৰ কনজাৰভেটিভ পাৰ্টিক ধৰাশায়ী কৰি লেবাৰ পাৰ্টিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰাত কিয়েৰ ষ্টাৰমেৰ দেশখনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বান পৰিস্থিতিৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমানলৈকে ৭৭ টা বন্যপ্ৰাণীৰ মৃত্যু হোৱাৰ লগতে ৯৪ টা বন্যপ্ৰাণী উদ্ধাৰ হোৱাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ চতুৰ্থ আৱৰ্তনত গুৱাহাটী বিশ্ববিদ্যালয়ে A প্লাছ গ্ৰেড লাভ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। মাওবাদীৰে যুজি মৃত্যুবৰণ কৰা অসমৰ দুই বিষয়া-জোৱান দিলীপ কুমাৰ দাস আৰু বাবলু ৰাভাক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মৰণোত্তৰভাৱে কীৰ্তি চক্ৰৰে সন্মানিত কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা**

কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।বিগত বৰ্ষৰ মে' মাহৰ তুলনাত এইবছৰ মে' মাহত দেশত চাহ উৎপাদন হ্ৰাস পোৱাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

1. অসমৰ শিক্ষা সেতু এপলৈ ৰাষ্ট্ৰীয় ই-গভৰ্নেন্স বঁটা
2. ১১ আগষ্টত নীট পিজিৰ পৰীক্ষাৰ দিন ঘোষণা
3. ভাৰতীয় জাতীয় ক্ৰিকেট দলৰ হৈ আজি অভিষেক ঘটিব অসমৰ ৰিয়ান পৰাগৰ

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত